# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-MAR-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

১। অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ ২৮৪ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান।

২। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনা।

৩। অসম গণ পৰিষদৰ সৈতে বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক বুজাপৰা শীঘ্ৰেই সম্পন্ন হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

**আৰু**

৪। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড মুখামুখি।

ooooo

২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী প্ৰাৰ্থী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানতে স্বাগত সতীৰ্থ প'ৰ্টেলৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰও প্ৰদান কৰা হয়। নৱনিযুক্ত বিষয়াসকলে যাতে সমাগত নিৰ্বাচনৰ অভিজ্ঞতা লাভ কৰিব পাৰে, তাৰপ্ৰতি লক্ষ্য ৰাখি তেওঁলোকক নিৰ্বাচনৰ পূৰ্বে নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাস, বিত্তমন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহন উপস্থিত থাকে।

ooooo

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উপলক্ষে উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। সত্ৰনগৰী বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহত আধ্যাত্মিক ৰীতি-নীতি তথা আনন্দ উৎসাহেৰে দৌল উৎসৱ পালন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত জনসাধাৰণে ফাকু গুৰি আৰু ৰং সানি ফাকুৱাৰ আনন্দ উপভোগ কৰিছে।

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত আজি দ্বিতীয় ভৰদৌল উপলক্ষে পুৱাৰেপৰা অগণন লোকৰ সত্ৰ চৌহদলৈ আগমন ঘটিছে। পৰহিলৈ সত্ৰত সুঁৰেৰী পালন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা সত্ৰত কলিয়া গোসাইক সেৱা জনায়। বৰপেটা সত্ৰৰ দৌল মহোৎসৱৰ সুকীয়া আকৰ্ষণ আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে বিহু আৰু ঝুমইৰ বিনন্দিনীৰ দৰে হোলী গীতক ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ বাবে পৰিকল্পনা কৰা হৈছে। শীঘ্ৰে এই পৰিকল্পনা বাস্তৱায়িত কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। তদুপৰি ৰাজ্যৰ সত্ৰসমূহ দখলমুক্ত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত থাকিব বুলি তেওঁ কয়।

**ৰাইট (চি এম)**

বৰপেটাৰ পাটবাউসী, গণককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে।

শিলচৰত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আচাম ৰাইফলছৰ জোৱানসকলৰ সৈতে ফাকুৱাৰ আনন্দ উপভোগ কৰে। তেওঁ শিলচৰত শ্ৰীকোনাত থকা বাহিনীটোৰ শিবিৰত জোৱানসকলৰ বেণ্ড প্ৰদৰ্শন আৰু গোৰ্খা জোৱানসকলৰ সাংস্কৃতিক অনুষ্ঠানো উপভোগ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰাজ্যপালগৰাকীয়ে নিৰাপত্তা বাহিনীৰ জোৱানসকলৰ সৈতে উৎসৱৰ আনন্দ উপভোগ কৰিব পৰাটো গৌৰৱৰ বিষয় বুলি মন্তব্য কৰে।

**ৰাইট (ৰাজ্যপাল)**

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন  কৰা হৈছে। দৌল উৎসৱৰ আজি তৃতীয় দিনা নাম প্ৰসংগ আৰম্ভ হৈছে। মহাপূজাৰ পাছত সন্ধিয়া প্ৰভূক আবিৰ সনা হ'ব আৰু  নিশাৰ ভাগলৈ ভক্তসকলে পৰস্পৰক ফাকু গুৰি সানিব।

কোচবিহাৰৰ মধুপুৰ সত্ৰতো পৰহিৰেপৰা দৌল উৎসৱ উদযাপন কৰা হৈছে। দৰং জিলাৰ বিভিন্ন সত্ৰ, দেৱালয়, নামঘৰ আদিতো দৌল উৎসৱ উদযাপন কৰা হৈছে।

ধুবুৰী জিলাৰ সত্ৰশালৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা শ্ৰীশ্ৰী ৰামৰাইকুঠী সত্ৰত আজি তৃতীয়দিনা দৌল উৎসৱ পালন কৰা হৈছে। দৌলৰ সুঁৱেৰী উপলক্ষে নাম-কীৰ্তনৰ পাছত  মেলাৰ আয়োজন কৰা হৈছে। এই মেলালৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কাষৰীয়া পশ্চিমবংগৰ বহুলোকৰ আগমন ঘটে। মেলাৰ শেষত গোসাঁইক ফুৰোৱা হ'ব। জিলাখনত কালি দৌল মহোৎসৱৰ সৈতে সংগতি ৰাখি বসন্ত উৎসৱৰ আয়োজন কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি গোঁসাই ফুৰোৱা কাৰ্যসূচী সম্পন্ন হয়। বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰৰ ধেণুধৰাৰ দৌল মন্দিৰত দুদিনীয়াকৈ আয়োজিত দৌল মহোৎসৱৰ আজি দ্বিতীয় দিনা গোঁসাই ফুৰোৱা আৰু দৌলযাত্ৰা কৰা হয়।

মাজুলীৰ সত্ৰসমূহতো আধ্যাত্মিক পৰম্পৰা বৰ্তাই ৰাখি ফল্গুৎসৱ আৰু ফাকুৱা পালন কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বিভিন্ন স্থানত আজি ফাকুৱাৰ আনন্দ উদযাপন কৰা হয়। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ  গাৰো পাহাৰতো সম্প্ৰীতিৰ নিদৰ্শন ৰাখি বহু লোকে ফাকুৱাৰ আনন্দ উদযাপন কৰে।

০০০০০

বিজেপিকে ধৰি ইয়াৰ মিত্ৰদলসমূহে ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যত বিধানসভা নিৰ্বাচন হোৱাটো বিচাৰে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। বৰপেটা সত্ৰৰ দৌল মহোৎসৱত আজি অংশ লোৱাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে কংগ্ৰেছৰ তিনিজন নিলম্বিত বিধায়কে কাইলৈ বিজেপিত যোগদান কৰিব। দলটো সম্প্ৰতি নিৰ্বাচনৰ বাবে সাজু বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে অসম গণ পৰিষদৰ সৈতে বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক বুজাপৰা শীঘ্ৰেই সম্পন্ন হ'ব। তেওঁ লগতে বিপিএফ আৰু ইউ পি পি এল দলকো নিজৰ মাজতে আলোচনা কৰি সিদ্ধান্ত ল'বলৈ কোৱা হৈছে বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই আজি দৌল মহোৎসৱৰ আনন্দৰ মাজতে বৰপেটাত নৱনিৰ্মিত আৰত্ৰ ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই ভৱনটো বিশেষ অতিথিৰ বাবে দুটা কোঠাসহ মুঠ ২০টা কোঠা আৰু ৭০ খন আসন বিশিষ্ট আলোচনা কক্ষৰ লগতে অন্যান্য সুবিধাসমূহ থাকিব।

০০০০০

গুৱাহাটী মহানগৰৰ যানজঁট নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হিচাপে আজি ভৰলুমুখৰ দীনেশ গোস্বামী উৰণ সেতুখন আজি উদ্বোধন কৰা হ'ব। লোকনিৰ্মাণ বিভাগ আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ উদ্যোগত মুঠ ৯৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখনে ৰে'ল লাইনৰ ওপৰেৰে নিৰৱচ্ছিন্নভাৱে যান-বাহনৰ চলাচল

সুনিশ্চিত কৰাৰ উপৰি ৰে'ল ক্ৰছিঙত দুৰ্ঘটনা তথা বায়ু আৰু শব্দ প্ৰদূষণ হ্ৰাস কৰিব। এই সেতুখনে মাছখোৱা-শান্তিপুৰৰ লগতে শ্লুইজগে'টক সংযোগ কৰিছে। ভৰলুমুখৰ সোণাৰাম খেলপথাৰত আজি সন্ধিয়া এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা উপস্থিত থাকিব।

ইপিনে গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য বৰ্ধনৰ দিশত নৱতম সংযোজন হিচাপে আজি মুখ্যমন্ত্ৰীয়ে শৰাইঘাট ৰণৰ স্মৃতিসৌধ উদ্বোধন কৰাৰ লগতে পাণবজাৰত ব্ৰহ্মপুত্ৰ নদীপাৰ উদ্যানৰ সম্প্ৰসাৰণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰিব। সন্ধিয়া ৬ বজাত পাণবজাৰত আয়োজিত এই অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০

ৰাজ্যৰ ৰে'লযাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰে'ল মন্ত্ৰালয়ে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধীনত ৰাজ্যত কেইবাটাও ষ্টেচনত নতুনকৈ ২৮ খন ৰে'লগাড়ী ৰখাবলৈ পৰীক্ষামূলকভাৱে অনুমতি প্ৰদান কৰিছে। সেই অনুসৰি এতিয়াৰে পৰা দিল্লী-কামাখ্যা -ব্ৰহ্মপুত্ৰ মেইল টিহু ৰে'ল ষ্টেচনত ৰ'ব। একেদৰে কন্যাকুমাৰী-ডিব্ৰুগড় বিবেক এক্সপ্ৰেছ অভয়াপুৰী ষ্টেচনত, নিউ জলপাইগুৰি-গুৱাহাটী বন্দে ভাৰত এক্সপ্ৰেছ বৰপেটা ৰোড ষ্টেচনত, কামাখ্যা-আনন্দবিহাৰ নৰ্থ ইষ্ট এক্সপ্ৰেছৰ লগতে তাম্বাৰম-শিলঘাট টাউন নগাঁও এক্সপ্ৰেছ বিজনী ষ্টেচনত ৰখোৱা হ'ব। একেদৰে কলকাতা-চিৰাং এক্সপ্ৰেছ চাপৰ ষ্টেচনত, ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ ডিফুত, নিউ তিনিচুকীয়া-অমৃতসৰ এক্সপ্ৰেছ দুলীয়াজানত, নিউ দিল্লী-গুৱাহাটী ৰাজধানী এক্সপ্ৰেছ ফৰকাটিঙত ৰ'ব। এই পদক্ষেপে ষ্টেচনকেইটাৰ সমীপৰ অঞ্চলসমূহৰ জনতাক বিশেষভাৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে।

বজালী আৰু চিৰাং জিলাৰ ৰাইজে জিলা দুখনৰ নিৰ্দিষ্ট ষ্টেছনত যাত্ৰীবাহী ৰে'ল ৰখোৱাৰ সিদ্ধান্তক আদৰণি জনাইছে। চিৰাং জিলাৰ বিজনীত ৩ খন ৰে'ল ৰখোৱাৰ সিদ্ধান্তত বিজনীবাসী ৰাইজে আনন্দ প্ৰকাশ কৰিছে। একেদৰে বজালী জিলাৰ পাঠশালা ষ্টেছনত ৰাজধানী অভিমুখী ব্ৰহ্মপুত্ৰ মেইল ৰখোৱাৰ সিদ্ধান্তক জনসাধাৰণে আদৰণি জনাইছে।

০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কাইলৈ ভাৰত আৰু ইংলেণ্ড মুখামুখি হ'ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত